
# মান্‌চালেংকা

দুধনৈ আঞ্চলিক ৰাভা ছাত্র সন্থাৰ উদ্যোগত

বিংশতিতম্‌ বায়খো উৎসৱ

স্মৃতি গ্রন্থ



সম্পাদক

চিৰঞ্জীৱ চক্ৰৱৰ্ত্তী

তাৰিখ- ১ আৰু ২ আহাৰ, ১৪২৬ ভাস্কৰাব্দ

(১৭ আৰু ১৮ জুন, ২০১৯ ইং)

স্থান ঃ দুধনৈ ৰাজহুৱা খেলপথাৰ, দুধনৈ, RHAC

# অসমৰ ধৰ্মীয় পৰম্পৰা আৰু উৎসৱ-পাৰ্বনত মহিলাৰ ভূমিকা

বন্দিতা বৰবৰা
সহকাৰী অধ্যাপিকা,
ৰাজনীতি বিজ্ঞান বিভাগ,
দুধনৈ মহাবিদ্যালয়

এখন সমাজৰ ধৰ্মীয় পৰম্পৰা তথা উৎসৱ পাৰ্বন আৰু ৰীতি-নীতি সমূহে সমাজখনক সুস্থভাৱে পৰিচালিত কৰাৰ লগতে সমাজত ঐক্য-সংহতি বৰ্তাই ৰখাত সহায় কৰে। তাৰোপৰি, বিভিন্ন উৎসৱ, অনুষ্ঠান আৰু মাংগলিক কাৰ্যসমূহে প্ৰমূল্যবোধৰ সৃষ্টি কৰি সমাজৰ লোক সকলৰ সুস্থ মানসিকতা গঢ় দিয়াটো যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অঞ্চল, পৰিৱেশ আৰু জাতি-জনগোষ্ঠী বিশেষে এনে উৎসৱ-পাৰ্বন আৰু ৰীতি-নীতি সমূহৰ ক্ষেত্ৰত পাৰ্থক্য থাকিলেও প্ৰত্যেক সমাজ ব্যৱস্থাতে এই সমূহ বিদ্যমান। সমাজ পৰিচালনাৰ বাবে প্ৰয়োজনীয় নীতি নিয়ম সমূহো এনে কাৰ্যৰ পৰাই গঢ় লৈ উঠে আৰু ইয়াৰ সুস্থ পৰিচালনাৰ বাবে সমাজৰ সকলো লোকৰে অংশগ্ৰহণ আৰু সহযোগিতাৰ খুবেই প্ৰয়োজন। আমাৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত প্ৰায়েই মাংগলিক কাম-কাজ আৰু উৎসৱ-পাৰ্বন সমূহত আগস্থান দখল কৰি আহিছে যদিও মহিলাসকলৰ ভূমিকাও কোনো ক্ষেত্ৰতে কম নহয়। বৰঞ্চ বহু ক্ষেত্ৰত দেখা যায় যে মহিলা সকলে আঁৰত থাকিও নাইবা ঘৰৰ চাৰিবেৰৰ মাজত নিষ্ঠা সহকাৰে আৰু সহিযুৱতাৰে বিভিন্ন পূজা-পাতল আৰু উৎসৱ অনুষ্ঠিত কৰি সেই সমূহৰ মৌলিকতা ৰক্ষা কৰি আহিছে আৰু চহকী পৰম্পৰা সমূহ ধৰি ৰাখিছে।

বিভিন্ন ধৰ্মগ্ৰন্থ সমূহত দেখা যায় যে বৈদিক যুগৰ ভাৰতবৰ্ষত নাৰী অবিহনে পুৰুষসকলৰ দ্বাৰা অনুষ্ঠিত ধৰ্মীয় কাৰ্যক অসম্পূৰ্ণ বুলি গণ্য কৰা হৈছিল। নাৰী হ'ল শক্তিৰ আধাৰ আৰু সেয়েহে কোৱা হয় যে নাৰী শক্তি জাগ্ৰত হ'লে তাক প্ৰতিহত কৰাৰ ক্ষমতা কাৰোৰেই নাই। সতীত্ব, পতিব্ৰতা, ত্যাগ, সাধনা আদি বিভিন্ন গুণৰ বলত নাৰীয়ে অসাধ্য সাধন কৰাৰ উদাহৰণ বহুত পোৱা যায়। সতীত্বৰ

বলত সাবিত্ৰীয়ে স্বামী সত্যবানৰ আৰু বেউলাই লক্ষীন্দৰৰ প্ৰাণ ঘূৰাই আনিবলৈ সক্ষম হৈছিল। আহোম নাৰী সতী জয়মতীও হৈছে সহিষ্ণুতা আৰু ত্যাগৰ এক চূড়ান্ত নিদৰ্শন। আজিৰ অসমৰ নাৰীও ইয়াৰ ব্যতিক্ৰম নহয়। অৰ্থনীতি, ৰাজনীতি, সাংস্কৃতিক, ক্ৰীড়া আদি সকলো ক্ষেত্ৰতে নাৰীসকল আগবাঢ়ি যোৱাৰ সমান্তৰালকৈ সেই নাৰীয়েই বহুখিনি ধৰ্মীয় পৰম্পৰা, পূজা-পাৰ্বন আদিৰ ধাৰাবাহিকতা ৰক্ষা কৰি সমাজখনক সুস্থ সবল ভাৱে আগুৱাই নিয়াতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এটা কথা উল্লেখযোগ্য যে এখন সমাজ আগুৱাই যাবলৈ যিদৰে শিক্ষা, বিজ্ঞান, প্ৰযুক্তিৰ প্ৰয়োজন, ঠিক একেদৰে সমাজখনৰ শৃংখলাবদ্ধতা আৰু নৈতিকতা বজাই ৰখাৰ ক্ষেত্ৰত সামাজিক পৰম্পৰা, ৰীতি-নীতি তথা উৎসৱ-পাৰ্বন সমূহৰ গুৰুত্ব নুই কৰিব নোৱাৰি।

বিভিন্ন ধৰ্ম, ভাষা, জাতি-জনজাতিৰ লোকে বসবাস কৰা অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱন বৈচিত্ৰময়। সেয়েহে বছৰৰ প্ৰায় প্ৰত্যেকটো সময়তেই অসমত বিভিন্ন উৎসৱ, পূজা-পাৰ্বন অনুষ্ঠিত হৈ থকা দেখা যায়। যদিও উজনি-নামনি বা ঠাই আৰু গোষ্ঠী বিশেষে নীতি-নিয়মৰ পাৰ্থক্য পৰিলক্ষিত হয়। কিন্তু ইয়াৰ লগত সমাজৰ পুৰুষ-মহিলা সকলোৱেই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হয়। ৰাজহুৱা কিছু অনুষ্ঠানত মহিলা সকলৰ প্ৰৱেশৰ অনুমতি নাথাকে বা পুৰুষ সকলেহে মূল ভূমিকাৰ ৰূপত অৱতীৰ্ণ হয়। তৎস্বত্বেও তেনে অনুষ্ঠান সমূহৰ সফলতাত মহিলাসকলে এক নীৰৱ তথা সবল ভূমিকা পালন কৰি আহিছে।

অসমৰ প্ৰায়সকল মানুহকেই সামৰি লোৱা শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মই মহিলাসকলক ধৰ্ম চৰ্চাৰ সুযোগ দিছে। ধৰ্ম চৰ্চাৰ কেন্দ্ৰস্থল নামঘৰত মহিলাসকলে স্বতন্ত্ৰীয়াকৈ নাম-কীৰ্ত্তন কৰি ধৰ্ম চৰ্চা কৰিব পাৰে। যদিও নামঘৰৰ মূল দায়িত্বত সদায় পুৰুষৰ স্থান দিয়া হয়, কিন্তু বিভিন্ন উৎসৱ-পাৰ্বনত মহিলাসকলে সমানেই সহযোগিতা আগবঢ়োৱা দেখা যায়। বিশেষকৈ যিকোনো অনুষ্ঠান আৰম্ভ কৰাৰ আগমূহূৰ্ত্তত নামঘৰটো ভালকৈ সাৰি মচি পৰিস্কাৰ কৰা, সমূহীয়া অনুষ্ঠানত খাদ্য প্ৰণালী প্ৰস্তুত কৰি দিয়া আদিত মহিলাসকলে আগভাগ লয়। তাৰোপৰি প্ৰতিবছৰে সমাজৰ মংগল কামনাৰে আই-মাতৃসকলে কেবামাহো নামঘৰত সমূহীয়াভাৱে নাম গায়। লগতে বিভিন্নজনে সেই সময়ত দক্ষিণা হিচাবে আগবঢ়োৱা মাননি বা টকা-পইচা নামঘৰৰ উন্নয়নমূলক কামৰ বাবে আগবঢ়োৱা দেখা যায়। ঠিক একেদৰে কাৰোবাৰ ঘৰত বসন্ত বা আই ওলালে মহিলাসকলে সেই ঘৰত আইনাম অনুষ্ঠিত কৰে। ঠাই বিশেষে ইয়াক আসন পতা নাম, শীতলা পূজা, গোপিনী সবাহ আদি বিভিন্ন নামেৰে জনা যায়। দেখা যায় যে এনে পূজা বা সবাহত খুব পবিত্ৰতাৰে আৰু সতৰ্কতাৰে শুদ্ধ মন লৈ মহিলাসকলে শীতলা দেৱীক পূজা কৰে আৰু আই নাম গায়। সাধাৰণতে বয়সীয়াল তিৰোতা সকলেহে এই পূজাত সকলোখিনি কাম-কাজৰ লগত জড়িত হয় যদিও ঠাই বিশেষে কুমাৰী ছোৱালী বা গাভৰু ছোৱালী সকলেও ইয়াত যোগ দিয়ে। অসমৰ প্ৰায়সমূহ জাতি-জনজাতিৰ মহিলাৰ মাজতে এই পূজা দেখা যায়। দেউৰী জনগোষ্ঠীৰ মহিলাসকলে 'আই' দেৱীক সন্তুষ্ট কৰিবৰ বাবে নিজস্ব পৰম্পৰা, ৰীতি-

নীতিৰে ব'হাগ মাহত 'দেওবৰীয়া সবাহ' অনুষ্ঠিত কৰে। অসমৰ মুছলমান ধৰ্মৰ মহিলা সকলৰ মাজতো শীতলা পূজাৰ ক্ষীন প্ৰভাৱ নথকা নহয়। কামৰূপ আৰু দৰঙৰ অঞ্চল বিশেষে মুছলমানসকলে বসন্ত ওলোৱাৰ ন দিনৰ দিনা ন-বৰণৰ ফুলেৰে সৈতে গাখীৰ, কল, চেনী, মগু আদিৰে ঘৰৰ ভিতৰতে শীতলালৈ এখন নৈবেদ্য আগবঢ়ায়। দৰং, অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলাত প্ৰচলিত লোকবিশ্বাস মতে শীতলা আইৰ কেবাগৰাকী ভগ্নীৰ মাজৰে এগৰাকী হ'ল কাহুৰী আই। কোনো লোক বিশেষকৈ যেতিয়া সৰু ল'ৰা-ছোৱালী কাঁহত বেছিকৈ আক্ৰান্ত হয়, তেতিয়া মহিলাসকলে কাহুৰী আইৰ পূজা অনুষ্ঠিত কৰে। এই পূজাত পুৰুষৰ ভূমিকা মুঠেই নাই বুলি ক'ব পাৰি। এটা কথা সঁচা যে সন্তানৰ কাঁহ হ'লে দেউতাকতকৈ মাকেহে বেছিকৈ ভূগিবলগীয়া হয়, বিশেষকৈ মাকৰ গাখীৰ খাই থকা কেঁচুৱা হ'লে মাকগৰাকীয়েও বাচ-বিচাৰ কৰি খাবলগীয়া হয়। শুনামতে, এই পূজা আবেলি অনুষ্ঠিত কৰে। ঘৰ-চোতাল ভালদৰে পৰিস্কাৰ কৰি পূজাৰ নৈবেদ্য আগবঢ়াই নামতি সকলে নাম ধৰে আৰু নামৰ অন্তত সকলোৱে সেৱা কৰে। সেইদিনা গোটেই ৰাতি বেদীৰ ওপৰত চাকিগছ জ্বলি থাকে। পিছদিনা নিচেই পূৰাতে গৃহস্থ ঘৰৰ মূল মহিলা গৰাকীয়ে গা-পা ধুই বেদীত থকা নৈবেদ্য, ফুল, চাকি আদি পুখুৰী বা নদীৰ পানীত উটুৱাই দিয়ে। গোৱালপাৰাৰ টুকুৰা গাঁৱত থকা কাহুৰী থানৰ অধিষ্ঠাত্ৰী দেৱী গৰাকীক 'কাহুৰী' বা 'কাহুলী' দেৱী হিচাবে পূজা কৰাৰ পৰম্পৰা থকাৰ বিষয়েও জনা যায়।

অসমৰ জনজীৱনত মহিলাসকলৰ মাজত অনুষ্ঠিত আন এক পূজা হ'ল অপেশ্বৰী পূজা বা অপেশ্বৰী (অপেশ্বৰা বুলিও কোৱা হয়) সবাহ। উজনি অসমৰ বুঢ়ী-বিধৱা মহিলাই পিঠাগুৰি, এৰাঁ গাখীৰ, কল আদিৰে ভৰ দুপৰীয়া অপেশ্বৰী সবাহ পাতে। নামনি অসমত বিশেষকৈ কামৰূপত অঞ্চল বিশেষে মাজ চোতালত মহিলাসকলে অপেশ্বৰী নাম ধৰে আৰু অপেশ্বৰীৰ ৰূপত বিযুৰীয়াকৈ অৰ্থাৎ তিনিজনী বা পাঁচজনী অকুমাৰী ছোৱালীক গা-পা ধুৱাই সু-সজ্জিতা কৰি পূজাস্থলীত বিশেষ আদৰ-সাদৰ কৰি বহুৱাই থোৱাৰ নিয়ম আছে। সৰু ল'ৰা-ছোৱালী অকাৰণে খীনাই-শুকাই গ'লে বা হাত-ভৰি পয়ালগা বেমাৰীৰ দৰে হ'লে আইসকলে অপেশ্বৰী সবাহ পতা দেখা যায়। ঠিক একেদৰে অসমৰ প্ৰায়বিলাক জাতি-জনজাতিৰ মাজত বিশেষকৈ পশ্চিম অসমত সৰ্পৰ দেৱী মনসাক সন্তুষ্ট কৰিবৰ বাবে মা মনসা পূজা অনুষ্ঠিত কৰে আৰু এই পূজাতো মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বেমাৰ-আজাৰ, অপায়-অমঙ্গল দূৰ কৰিবৰ বাবে মহিলাসকলে যিদৰে এই পূজা সমূহ অনুষ্ঠিত কৰে, ঠিক একেদৰে এখন ঘৰ বা সমাজৰ উন্নতি কামনা কৰি আৰু সকলোৱে যাতে বছৰটো ভালদৰে খাই বৈ জীয়াই থাকিব পাৰে। তাৰ বাবেও মহিলাসকলে কিছুমান পূজা বা পাৰম্পৰিক ৰীতি-নীতি মানি আহিছে। ইয়াৰ ভিতৰত লখিমী সবাহ এক উল্লেখযোগ্য অনুষ্ঠান। উজনি অসমৰ ঠাই বিশেষে প্ৰচলিত লোক বিশ্বাস অনুসৰি শস্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী বা লখিমী আইক সন্তুষ্ট কৰিবৰ বাবে এই সবাহ পতাৰ নিয়ম আছে। জেঠ-আহাৰ মাহত অৰ্থাৎ খেতিৰ ভৰপক দিয়াৰ আগতেই গাঁৱৰ জীয়ৰী-

বোৱাৰীয়ে শোভাযাত্ৰা কৰি নাম গাই পানী তুলিবলৈ যায় আৰু পূজা আগবঢ়ায়। বড়ো জনজাতিৰ লোকসকলৰ খেৰাই পূজা, সিজু পূজা, ৰাভা সকলৰ হাছং পূজা, ফাৰক্ৰান্তি, চাহ জনজাতিৰ কৰম পূজা, টুচু পূজা আদি অনুষ্ঠান সমূহতো মহিলা সকলৰ ভূমিকা যথেষ্ঠ উল্লেখনীয়। পূজা সমূহত মহিলাসকলে ঘৰ-চোতাল চাফ-চিকুণ কৰি ৰখাৰ লগতে পূজাৰ সামগ্ৰী যা-যোগাৰ কৰাই নহয় উপবাসে থাকিও নিজৰ আত্মসংযমৰ পৰিচয় দাঙি ধৰে। বড়ো জনজাতিৰ মহিলা সকলে সিজু পূজা, শিৱ পূজা আদিত আগদিনাৰ পৰাই লঘোনে থাকে। বিহাৰী সম্প্ৰদায়ৰ মহিলাসকলে ষট্ পূজাৰ সময়ত কেবাদিনো ধৰি উপবাসে থাকি সূৰ্য উদয় আৰু অস্ত যোৱাৰ সময়ত নদীলৈ গৈ সূৰ্য দেৱতাক আৰাধনা কৰে। কেৱল এয়াই নহয়, বহু সময়ত দেখা যায় যে যেতিয়া স্বামীজনে পূজা-পাৰ্বনৰ সময়ত উপবাসে থাকে তেতিয়া তেওঁৰ পত্নী গৰাকীও আহাৰ গ্ৰহণৰ পৰা বিৰত থাকে।

বিয়া-বাৰু, বিহু আদি অনুষ্ঠান সমূহৰ লগতো আমাৰ সমাজৰ মহিলাসকল ওতঃপ্ৰোতভাৱে জড়িত থকা আৰু পৰম্পৰাগত নীতি-নিয়ম সমূহক ধৰি ৰখা দেখা যায়। বিয়াৰ লগত জড়িত লোকবিশ্বাস আৰু নীতি নিয়মসমূহ প্ৰায়বিলাক সমাজতে মহিলাসকলেই জীয়াই ৰাখিছে বুলি ক'ব পাৰি। দুৱাৰমুখত আমপাত আঁৰি দিয়া, গাঁঠিদল খুন্দা, পানীতোলা, সুৱাগুৰি তোলা দৰা-কইনাক মাহ-হালধি সানি গা ধুওৱা আদি স্ত্ৰী লোকাচাৰ সমূহৰ জৰিয়তে কেৱল দৰা-কইনাৰ মঙ্গল কামনা কৰাই নহয়, ইয়াৰ দ্বাৰা মহিলাসকলৰ শিল্পনিপুনতা আৰু কবিসুলভ দক্ষতাৰো প্ৰকাশ ঘটে। বিবাহত বিভিন্ন ক্ষণ সমূহৰ লগত সংগতি ৰাখি উৰুলি দিয়া আৰু বিয়ানাম গোৱাটোও স্ত্ৰী সমাজৰ আন এক লোকাচাৰ। উৰুলিক মহিলাসকলৰ মংগলধ্বনি বুলি কোৱা হয়। কেৱল বিবাহ অনুষ্ঠানতেই নহয়, বিভিন্ন পূজা-পাৰ্বন, সবাহ বা মাংগলিক অনুষ্ঠানত মহিলাসকলে উৰুলি দিয়াৰ প্ৰথা চলি আহিছে।

আমাৰ সমাজৰ মহিলাসকলৰ মাজত প্ৰচলিত এনে বহু ৰীতি-নীতি বা উৎসৱক কেৱলমাত্ৰ পৰম্পৰা বুলি ক'লেই ভুল কোৱা হ'ব। কাৰণ ভালদৰে লক্ষ্য কৰিলে দেখা যায় যে এই সমূহৰ লগত বহুতো বিজ্ঞানসন্মত কাৰণ জড়িত হৈ আছে। উদাহৰণস্বৰূপে ক'ব পাৰি যে এগৰাকী মহিলা গৰ্ভৱতী হোৱাৰ সময়ৰ পৰা সন্তান প্ৰসৱৰ পাছতো যিসমূহ ৰীতি-নীতি বা পূজা কৰা হয়। ইয়াৰ অন্তৰালত প্ৰকৃততেই সন্তান আৰু মাতৃগৰাকীৰ স্বাস্থ্যৰ বহুখিনি দিশ জড়িত হৈ আছে। গৰ্ভধাৰণৰ পাঁচ মাহত যি পঞ্চামৃত খুউৱাৰ নিয়ম, ইয়াৰ অৰ্থ এয়ে যে আমাৰ সমাজৰ যিহেতু বহুখিনি মহিলাই নিজৰ খোৱা-বোৱাৰ ওপৰত খুব বেছি গুৰুত্ব নিদিয়ে আৰু সেয়েহে পুষ্টিহীনতাত ভূগে। গতিকে ঘিউ, মৌ, গাখীৰ আদি ভাল বস্তু সেই সময়ত মহিলা গৰাকীক খাবলৈ দিয়া হয়। ঠিক একেদৰে সাত মাহত ভাতপিঠা, সাত বা জেউৰা খুওৱা নিয়ম আছে যাতে গৰ্ভস্থ সন্তান আৰু মাতৃগৰাকীৰ স্বাস্থ্য টনকিয়াল হৈ থাকে। এগৰাকী ছোৱালী প্ৰথম পুষ্পিতা হোৱাৰ সময়তো মহিলাসকলে বিভিন্ন নীতি-নিয়ম পালন কৰি তোলনি বিয়া পতাটো পৰম্পৰা দেখা যায়। সেই সময়ত ছোৱালীজনীয়ে ঘৰৰ সকলো কামৰ পৰা অব্যাহতি লৈ জিৰণি লোৱাটো খুবেই প্ৰয়োজন।

আমাৰ অসমৰ সমাজ ব্যৱস্থাত প্ৰচলিত এনে পৰম্পৰাগত পূজা-পাৰ্বন আৰু উৎসৱ অনুষ্ঠান সমূহ ঠাই বিশেষে কিছু পৃথক হ'লেও এনে পৰম্পৰাসমূহ ধৰি ৰখাত মহিলাসকলে যে অগ্ৰণী ভূমিকা পালন কৰি আহিছে তাত সন্দেহ নাই। এনে অনুষ্ঠান সমূহৰ জৰিয়তে নাৰীমনৰ সৰলতা আৰু সমাজৰ মংগল কামনাৰ উমান পোৱা যায়। এই সমূহৰ লগে লগে মহিলাসকলে পুৱাতে উঠি বাহি ঘৰ-চোতাল সাৰি, গা-পা ধুই পৰিৱেশ পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰখাৰ লগতে এখন ঘৰ আৰু এখন সমাজক সুস্থ সবলভাৱে গঢ়ি তোলাত বহু অৱদান আগবঢ়াই আহিছে। শেষত ক'ব লাগিব যে এনে অনুষ্ঠানসমূহে সমাজৰ বিশেষকৈ গ্ৰাম্য অঞ্চলৰ গতানুগতিক জীৱন যাত্ৰাক আনন্দমুখৰ আৰু উৎসৱমূখৰ কৰি সকলোৰে মাজত মিলা-প্ৰীতিৰ মনোভাৱ ধৰি ৰাখি আহিছে।

<u>সহায়ক গ্ৰন্থাৱলী ঃ</u>

১। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, 'অসমৰ লোক-সংস্কৃতি' (১৯৬৯)।

২। ডঃ উপেন ৰাভা হাকাচাম, 'বৰ অসমৰ বৰ্ণিল সংস্কৃতি' (২০০৮)।

৩। ডঃ নবীন চন্দ্ৰ শৰ্মা, 'অসমীয়া লোক-সংস্কৃতিৰ আভাস' (২০১১)।

৪। জিতু কুমাৰ লেখাৰু, 'লোককৃষ্টিৰ সমীক্ষা' (২০১৬)।

৫। ডঃ স্বৰ্ণলতা বৰুৱা, ডঃ মামনি গগৈ বৰগোহাঁই, 'অসমীয়া নাৰী- অতীত আৰু বৰ্ত্তমান' (২০০৫)।

৬। ভবেন্দ্ৰ নাৰ্জি, 'বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি' (১৯৬৬)।

********